**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-04-2025 **Time :**1845 Hrs.

## Assamese Evening Bulletin
## Headlines

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুটা দিন বাকী থকা অৱস্থাত প্ৰাৰ্থীসকলৰ তীব্ৰতৰ প্ৰচাৰ অভিযান।

২। নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ পদ্ম সন্মানসমূহ প্ৰদান। অসমৰ জয়নাচৰণ নাৰ্জাৰী, অনিল কুমাৰ বড়োক পদ্মশ্ৰী গ্ৰহণ।

৩। পাটবাউসী আৰু আন কেইবাখনো সত্ৰত মহাপুৰুষ দামোদৰ দেৱৰ তিৰোভাৱ তিথি পালন।

৪। পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সমৰ্থনত মন্তব্য দিয়া লোকৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযানত এতিয়ালৈকে ২২ জন লোক আটক।

আৰু

৫। এছিয়া যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত মৰিগাঁৱৰ স্পৃহা ঋষি কাশ্যপৰ দুটা সোণৰ পদক অৰ্জন।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ, শোণিতপুৰ আৰু নগাঁৱত প্ৰচাৰ সভাত অংশ লয়। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত দলটোৱে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰি যাব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ভাৰতৰ ভিতৰত অসমক শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে শোণিতপুৰবাসীক আহ্বান জনায়। বিশ্বনাথ জিলাত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা অম্লান কাশ্যপ সাহা-

**ভইচ কাষ্ট**

দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ টিংখং, নাহৰকটীয়াৰ উপৰি দুলীয়াজানৰ ঘাঁহী ফুকনবাৰীত আয়োজিত জনসভাত অংশ লয়। তেওঁ বিকাশৰ অনিৰুদ্ধ গতি ত্বৰান্বিত কৰিবলৈ বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ আহ্বান জনায়। এই সভাসমূহত সাংসদ ৰামেশ্বৰ তেলীৰ উপৰি কেইবাগৰাকী বিধায়ক আৰু দলৰ নেতৃবৰ্গ উপস্থিত থাকে। মন্ত্ৰী কেশৱ মহন্তই আজি পুৱাৰ ভাগত ধেমাজিৰ বঙালমাৰী গাঁৱত দক্ষিণ ধেমাজি জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰী অতুল বৰাই আজি চাবুৱাৰ বালিজানত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াই আজি যোৰহাটৰ খঙীয়া, নাওবৈচা, চৰাইবাহীকে ধৰি কেইবাটাও অঞ্চলত প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি ৰঙানদী সমষ্টিৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে যোৰহাট জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

অসম জাতীয় পৰিষদৰ হৈ আজি লুৰীণজ্যোতি গগৈয়ে ধেমাজি জিলাৰ বিষ্ণুপুৰ, লক্ষীপথাৰ, উত্তৰ ধেমাজি, জীয়াঢল আৰু বৰদলনি জিলা পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত প্ৰচাৰ চলায়। তেওঁ খোৱাং সমষ্টিৰ অধীনৰ বিভিন্ন অঞ্চলতো প্ৰচাৰ সভাত অংশ লয়।

ডিব্ৰুগড় জিলাত আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত অসম জাতীয় পৰিষদ দলৰ শতাধিক নেতা-কৰ্মীয়ে অসম গণ পৰিষদ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে।

ইপিনে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচনৰ বাবে প্ৰস্তুতিৰ অন্তিম পৰ্যায়ত উপনীত হৈছে। প্ৰশাসনসমূহে নিৰ্বাচনী বিষয়াৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাত বিভিন্ন নিৰ্বাচনী কাম-কাজত নিয়োজিত এহেজাৰ ২০০গৰাকী কৰ্মচাৰীৰ মাজত ডাক বেলট পেপাৰ বিতৰণ কাৰ্যসূচী আৰম্ভ হৈছে। আজি পাঁচ শতাধিক কৰ্মচাৰীক এই বেলট পেপাৰ বিতৰণ কৰা হয়। চৰাইদেউ জিলাত নিৰ্বাচন শান্তিপূৰ্ণভাৱে আৰু নিয়াৰিকৈ সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনৰ প্ৰস্তুতি প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ দিশসমূহ তত্বাৱধান তথা পৰিচালনাৰ বাবে গঠন কৰা নিৰ্বাচনী কোষসমূহৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ সম্পূৰ্ণ হৈছে। ইপিনে, পঞ্চায়ত নিৰ্বাচন শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া প্ৰায়বোৰ জিলাতে ৩০ এপ্ৰিলৰ বিয়লি চাৰে চাৰি বজাৰ পৰা ২ মে'ৰ বিয়লি চাৰে চাৰি বজালৈ সুৰা নিষিদ্ধ কৰিছে। এই সময়ছোৱাত সুৰাৰ বিক্ৰী আৰু সৰবৰাহ নিষিদ্ধ ঘোষণা কৰা হৈছে। তিনিচুকীয়া জিলা আয়ুক্তই আজি এই বিষয়ে নিৰ্দেশ জাৰি কৰিছে। মৰিগাঁও জিলা প্ৰশাসনে অহা ৭ মে'ত হ'বলগীয়া নিৰ্বাচনৰ দিনটো ৰাজহুৱা বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰে। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী এই তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়। শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে প্ৰথম পৰ্যায়ত আজি এই বঁটাসমূহ প্ৰদান কৰা হয়। আজি পদ্ম বিভূষণ বঁটা লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ'এণ্ট্ৰ'লজিষ্ট ডা০ নাগেশ্বৰ ৰেড্ডী আছে। পদ্মভূষণ বঁটা লাভ কৰা বশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ অজিত কুমাৰ, ভাৰত নাট্যম নৃত্যশিল্পী শ্ব'বনা চন্দ্ৰকুমাৰ আৰু ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ শ্ৰীজেছ আছে। বিশিষ্ট গজল গায়ক পংকজ উধাছক মৰণোত্তৰভাৱে প্ৰদান কৰা এই বঁটা তেওঁৰ পত্নীয়ে গ্ৰহণ কৰে। অসমৰ সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো আৰু ডিমা হাচাও জিলাৰ প্ৰবীণ লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰীলৈ পদ্মশ্ৰী সন্মান আজি আগবঢ়োৱা হয়। পদ্মভূষণ বঁটা লাভ কৰা সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক নৃত্যাচাৰ্য যতীন গোস্বামীক পৰৱৰ্তী পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

মহাপুৰুষ দামোদৰ দেৱৰ ৪২৭ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰত ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হৈছে। একাগ্ৰ ভক্তিবাদ বৈদিক তত্ব সৃষ্টিৰে বৈষ্ণৱবাদৰ প্ৰচাৰক মহাপুৰুষজনাৰ তিথি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কোচবিহাৰৰ বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ আদিত হোম-যজ্ঞ, নাম-প্ৰসংগকে ধৰি বিভিন্ন আধ্যাত্মিক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিৰোভাৱ তিথি উপলক্ষে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে মহাপুৰুষজনাৰ আধ্যাত্মিকতা, তত্ব জ্ঞান আৰু সমাজমুখী আদৰ্শ সমাজ জীৱনৰ পথ প্ৰদৰ্শক হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে।

মহাপুৰুষজনাৰ দীক্ষাস্থলী হাজো, বৰপেটাৰ পাটবাউসী, মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে বিভিন্ন সত্ৰত তিথি পালন কৰা হৈছে। মহাপুৰুষজনাৰ আদি সত্ৰ হিচাপে খ্যাত পাটবাউসী সত্ৰত আজি যথেষ্ট সংখ্যক ভক্তৰ সমাগম হয়। অনুগামীসকলৰ উদ্যোগত সত্ৰখনৰ পৰা ধৰ্মীয় শোভাযাত্ৰা উলিওৱাৰ উপৰি নাম-প্ৰসংগও কৰা হয়। মহাপুৰুষজনাৰ তিৰোভাৱ তিথিৰ সৈতে সংগতি ৰাখি যোৱা ২২ এপ্ৰিলৰ পৰা অনুষ্ঠিত কীৰ্তন মহোৎসৱত আজি যথেষ্ট সংখ্যক ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰে। সৰু ল'ৰা-ছোৱালীৰ মাজত খেল-ধেমালি, দিহানাম প্ৰতিযোগিতা আৰু বাৰে-ৰহণীয়া অনুষ্ঠানৰো আয়োজন কৰা হয়।

বৈষ্ণৱ পন্থাৰ পীঠস্থান মাজুলীৰ দক্ষিণপাট সত্ৰতো মহাপুৰুষজনাৰ তিথি ধৰ্মীয় বিধি অনুযায়ী পালন কৰা হয়। এই উপলক্ষে সত্ৰখনত নাম-কীৰ্তন আৰু অন্যান্য ধৰ্মীয় কাৰ্য সম্পন্ন হয়।

কামৰূপ জিলাৰ ৰামদিয়াৰ পোৱাভিঠা সত্ৰত আজি মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগ আৰু লাৰু উৎসৱ পালন কৰা হয়। এই উৎসৱত ৰাজ্যৰ প্ৰায় ১০ হাজাৰ ভক্তই ৭ লাখতকৈও অধিক লাৰু যোগান ধৰে। উল্লেখযোগ্য যে মানৰ আক্ৰমণৰ সময়ৰ পৰাই সত্ৰখনত এই পৰম্পৰা চলি আহিছে। কামৰূপ জিলাৰ শুৱালকুছি, আমৰংগাকে ধৰি অন্যান্য দামোদৰীয় সত্ৰসমূহতো আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়।

গোৱালপাৰা জিলাৰ ভালুকডুবিতো তিনিদিনীয়া কাৰ্যসূচীৰে দামোদৰ দেৱৰ তিথি পালন কৰা হৈছে।

০০০০০০০

কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ সমৰ্থনত মন্তব্য দিয়া লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান চলাই এই পৰ্যন্ত ২২ জন লোকক আটক কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে অসম আৰক্ষীক দিয়া নিৰ্দেশ অনুসৰি দেশ বিৰোধী মন্তব্য কৰা লোকসকলক ততালিকে আটক কৰা হৈছে। আজি গোৱালপাৰা আৰক্ষীয়ে নজমুল হক আৰু হানিফ আলী ওৰফে ইমৰাণ হাছিমি নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰে। দুয়োজন লোকে পাকিস্তান আৰু পহলগামত সংঘটিত আক্ৰমণক সমৰ্থন কৰি সামাজিক মাধ্যমত বাৰ্তা দিছিল। যুৱক দুজনৰ বিৰুদ্ধে মৰনৈ আৰু মাটিয়া থানাত পৃথকে পৃথকে গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখা হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰ আৰক্ষীয়েও আজি পহলগামৰ ঘটনা সন্দৰ্ভত সামাজিক মাধ্যমত দেশবিৰোধী মন্তব্য কৰাৰ কাৰণে এজন যুৱকক গ্ৰেপ্তাৰ কৰে। পাকিস্তান সমৰ্থিত উগ্ৰপন্থীৰ বৰ্বৰ কাণ্ডক সমৰ্থন কৰি পোষ্ট দিয়াৰ পৰিপ্ৰেক্ষিতত গোৰীপুৰৰ মাটিয়াবাগ গাঁৱৰ ফিৰাজুল ইছলামক গ্ৰেপ্তাৰ কৰি গৌৰীপুৰ আৰক্ষীয়ে অধিক তথ্যৰ বাবে সোধা-পোছা কৰি আছে। উল্লেখযোগ্য যে কালি বৰপেটা আৰক্ষীয়ে জাৰিফ আলী, কাছাৰ

আৰক্ষীয়ে ইমৰান হুছেইন আৰু কমৰুদ্দিন আৰু তামুলপুৰ আৰক্ষীয়ে তাহিব আলী নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। ইয়াৰ আগেয়ে সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত গুৱাহাটীৰ পৰা ডিম্পল বৰা ওৰফে দধীচি ডিম্পলক গোলাঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। একেদৰে শ্ৰীভূমি জিলাৰ কালিগঞ্জৰ পৰা মুস্তাক আহমেদ ওৰফে ছাহিল হক নামৰ যুৱক এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰাৰ নিৰ্দেশ দিয়াৰ লগতে আপত্তিজনক মন্তব্য দেখা মাত্ৰেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে।

০০০০০০০

হোজাই জিলাৰ লামডিং ৰে'লৱে জংচনত আজি ৰে'ল সুৰক্ষা বাহিনীয়ে দুগৰাকী বাংলাদেশৰ নাগৰিকক আটক কৰে। বাহিনীটোৱে উজনিমুৱা ১৩১৭৩ কাঞ্চনজংঘা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ পৰা লোক দুজনক আটক কৰে। ফিৰোজ শ্বাহ আৰু মইনা খান নামৰ এই বাংলাদেশী লোক দুজনে দালালক দিয়া ধনৰ বিনিময়ত সীমান্ত পাৰ হৈ ভাৰতত প্ৰবেশ কৰিছিল বুলি ৰে'ল আৰক্ষীক স্বীকাৰোক্তি দিয়ে। লোক দুজন দিল্লী আৰু বেংগালুৰুত কৰ্মৰত আছিল। ৰে'ল আৰক্ষীয়ে দুয়োজন লোকক সোধা-পোচা কৰি থকাৰ লগতে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

ৰাজ্য চৰকাৰে টাটা ট্ৰাষ্টৰ যৌথ উদ্যোগত মঙলদৈত স্থাপন কৰা আৰু অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনে পৰিচালনা কৰা দৰং কৰ্কট কেন্দ্ৰৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনজোৰাকৈ পালন কৰা হয়। জৰায়ুৰ কৰ্কট ৰোগ প্ৰতিৰোধ আৰু চিকিৎসাক মূল বিষয় হিচাপে লৈ এইবছৰৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আয়োজন কৰা হয়। এই উপলক্ষে চিকিৎসা প্ৰতিষ্ঠানটোত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত চিকিৎসা প্ৰতিষ্ঠানটোৰ অধীক্ষগৰাকীয়ে বিগত তিনি বছৰত তেওঁলোকে দৰং জিলাৰ লগতে চুবুৰীয়া জিলাসমূহত কৰ্কট ৰোগীৰ লগতে অন্যান্য ৰোগত আক্ৰান্ত ৰোগীসকলক চিকিৎসা সেৱা আগবঢ়োৱাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানটোত পদ্মশ্ৰী সন্মানেৰে সন্মানিত দ্ৰোণ ভূঞা, অসম সৌৰভ সন্মানেৰে বিভূষিত হেমন্ত দত্ত আৰু অসম গৌৰৱ সন্মানেৰে বিভূষিত অনুপম ডেকা তথা টেনজিং বড়োচাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। অনুষ্ঠানটো সন্দৰ্ভত এয়া চিকিৎসা প্ৰতিষ্ঠানটোৰ অধীক্ষক চৈয়দ ইফতিকাৰ চোভানী-

বাইট

০০০০০০০

অনলাইন ট্ৰেডিঙত বিনিয়োগ আৰু ঋণ দিয়াৰ প্ৰলোভনেৰে কোটি কোটি টকা আত্মসাৎ কৰাৰ অভিযোগত আজি গুৱাহাটী মহানগৰীৰ চানমাৰি আৰক্ষীয়ে এগৰাকী মহিলাক আটক কৰে। আৰক্ষীয়ে বামুণীমৈদামত অভিযান চলাই আটক কৰা মহিলাগৰাকী কবিতা বৈশ্য বুলি চিনাক্ত কৰিছে। আৰক্ষীয়ে ধৃত মহিলাগৰাকীৰ পৰা ১৫১খন নথি, বিভিন্ন লোকৰ নামত থকা পাঁচ কোটি টকাৰ চেক আৰু পাঁচখন চুক্তিপত্ৰ জব্দ কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ২০২৩ চনৰ পৰা চলিত বছৰলৈ অভিযুক্ত মহিলাগৰাকীয়ে ভালেসংখ্যক গ্ৰাহকৰ পৰা ধন লৈছিল। প্ৰাপ্য ধন ঘূৰাই নোপোৱাৰ বাবে এগৰাকী ব্যক্তিয়ে আৰক্ষীক দিয়া অভিযোগ অনুসৰি তেওঁক আটক কৰা হয়।

০০০০০০০

সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰাক আক্ৰমণৰ সন্দৰ্ভত আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। পত্ৰৰ জৰিয়তে দলৰ নেতৃবৃন্দই এই ঘটনাত জড়িতসকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ দাবী জনায়। একেদৰে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি পৰ্যালোচনা কৰিবলৈ দলটোৱে দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি থকাৰ মাজতে কালি নগাঁও জিলাৰ ধিঙৰ ওপৰ ডুমডুমীয়াত সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৱামণি বৰাৰ ওপৰত একাংশ দুৰ্বৃত্তই আক্ৰমণ সংঘটিত কৰে। দুয়োগৰাকী নেতাই ডুমডুমীয়াৰ শ্লুইছ গে'টত বালিসত্ৰ জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ সভাত অংশ লৈ ধিং অভিমুখে আহি থকা অৱস্থাত এটা ১৫ জনীয়া দুৰ্বৃত্তৰ দলে তেওঁলোকক আক্ৰমণ কৰে। মুখত ক'লা কাপোৰ বান্ধি অহা দলটোৱে সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খানৰ দুখন গাড়ী ভাঙি চূৰমাৰ কৰে। এই আক্ৰমণত সাংসদগৰাকীৰ লগতে মামাই পেগু, কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খান, বিধায়িকা শিৱামণি বৰাৰ লগতে কেইবাজনো দলীয় কৰ্মী আহত হয়। পাছত আটাইকেইগৰাকী শ'লগুৰি উপ-আৰক্ষী চকীত উপস্থিত হৈ বিষয়টো আৰক্ষীক অৱগত কৰে।

০০০০০০০

এছিয়া যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত মৰিগাঁৱৰ স্পৃহা ঋষি কাশ্যপে দুটা সোণৰ পদক অৰ্জন কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। দিল্লীত অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতে সৰ্বমুঠ ৮৩টা সোণৰ পদকেৰে বিশেষ সফলতা প্ৰদৰ্শন কৰি পদক তালিকাত শীৰ্ষস্থান দখল কৰিছে। যোৱা ২৫ তাৰিখৰ পৰা অনুষ্ঠিত প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ খেলুৱৈগৰাকীয়ে বেক বেণ্ডিঙৰ ব্যক্তিগত শাখাত আৰু দলীয় শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰি দুয়োটা শাখাতে সোণৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। কালি সামৰণি পৰা প্ৰতিযোগিতাখনত ভাৰতে তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে মুঠ ৮৭টা পদক লাভ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি জয়পুৰৰ ছেৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি সামৰণি পৰে। প্ৰতিযোগিতাৰ পুৰুষৰ শাখাত প্ৰাগ নিউজৰ জ্ঞানৰঞ্জন বৰাই শীৰ্ষ স্থান দখল কৰে। আছাম ট্ৰিবিউনৰ শিৱাশিষ ঠাকুৰে দ্বিতীয় স্থান দখল কৰিবলৈ সমৰ্থ হয়। প্ৰাগ নিউজৰ ৰঞ্জিত ৰায়ে তৃতীয় স্থান লাভ কৰে। মহিলা শাখাত এন ই ভাৰত ২৪-ৰ হেনা দেই শীৰ্ষ স্থান দখল কৰে আৰু প্ৰাগ নিউজৰ সুজাতা গৌতমে দ্বিতীয় স্থান লাভ কৰে। আছাম টক্‌ছৰ বৰ্ণালী শইকীয়াই তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

**সমাপ্ত**